**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশা চৰকাৰৰ মহিলাকেন্দ্ৰিক ধ্বজাবাহী উদ্যম সুভদ্ৰা আঁচনিৰ লগতে ভালেমান ৰে'ল আৰু ঘাইপথ প্ৰকল্প মুকলি কৰে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জল সংৰক্ষণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গণ আন্দোলন গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে।

৩। আম আদমী পাৰ্টীয়ে দলৰ জ্যেষ্ঠ নেত্ৰী আতিশী দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হ'ব বুলি ঘোষণা কৰিছে।

৪। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে নৰেন্দ্ৰ মোদী চৰকাৰে দেশৰ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তুলিছে আৰু এখন নিৰাপদ ভাৰত গঢ়ি তোলাত সহায় কৰিছে।

আৰু

৫। আজি কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত পুৱাৰে পৰা এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা পৰিলক্ষিত হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশা চৰকাৰৰ মহিলাকেন্দ্ৰিক ধ্বজাবাহী উদ্যম সুভদ্ৰা আঁচনিৰ লগতে ভালেমান ৰে'ল আৰু ঘাইপথ প্ৰকল্প মুকলি কৰে। বিজু পাটনায়ক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হোৱাৰ সময়ত তেওঁক জনজাতীয় লোকনৃত্য আৰু ঢোলে-দগৰেৰে বিপুলভাৱে আদৰণি জনোৱা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যম এক্সযোগে কয় যে সুভদ্ৰা আঁচনিয়ে মহিলাৰ সৱলীকৰণ প্ৰক্ৰিয়া সুদৃঢ় কৰিব আৰু নাৰী শক্তিৰ বাবে বিত্তীয় স্বতন্ত্ৰতা সুনিশ্চিত কৰিব। এই আঁচনিৰ অধীনত ২১ৰ পৰা ৬০ বছৰ বয়সৰ মহিলা হিতাধিকাৰীসকলে ৫ বছৰৰ বাবে ৫০ হাজাৰ টকা লাভ কৰিব। এই উদ্যমৰ জৰিয়তে ১ কোটিৰো অধিক মহিলাক সামৰি লোৱাৰ লক্ষ্য স্থিৰ কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে ভ্ৰমণ কালত ২৫ লাখ ১১ গৰাকী মহিলাৰ বেংক একাউণ্টলৈ এহেজাৰ ২৫০ কোটি টকা হস্তান্তৰ কৰে।

000000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জল সংৰক্ষণ, উন্নত ব্যৱস্থাপনা, উন্নয়ন আৰু বিতৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গণ আন্দোলন গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অষ্টম ভাৰত জল সপ্তাহ উদ্বোধন কৰি শ্ৰীমতী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ জল সংৰক্ষণ আৰু বহন ক্ষমতাৰ বিষয়সমূহ দূৰ কৰাৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টাৰ আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে দেশত পানীৰ উৎস ব্যৱস্থাপনাৰ এনে বহুতো প্ৰাচীন প্ৰথা আছে, যিবোৰ আজিও প্ৰাসংগিক আৰু সেইসমূহ আধুনিক ৰূপত প্ৰয়োগৰ কৰা উচিত।

000000000

আম আদমী পাৰ্টীয়ে দলৰ জ্যেষ্ঠ নেত্ৰী আতিশী দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হ'ব বুলি ঘোষণা কৰিছে। নতুন দিল্লীত আজি অনুষ্ঠিত আম আদমী পাৰ্টীৰ বিধায়কসকলৰ বৈঠকত শ্ৰীমতী আতিশীক বিধায়িনী গোটৰ নেত্ৰী হিচাপে বাছনি কৰা হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মহানগৰ বিভাগৰ মন্ত্ৰী গোপাল ৰায়ে কয় যে পৰৱৰ্তী বিধানসভা নিৰ্বাচন পৰ্যন্ত আতিশী মুখ্যমন্ত্ৰী হ'ব বুলি সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আম আদমী পাৰ্টীয়ে অহা অক্টোবৰ-নৱেম্বৰত দিল্লীত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাটো বিচাৰে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী ৰায়ে বিজেপিয়ে আম আদমী পাৰ্টীক নিঃশেষ কৰাৰ চেষ্টা চলাইছে বুলি অভিযোগ তোলে। ইয়াৰ পূৰ্বে কাৰাগাৰৰ পৰা ওলাই অহাৰ দুদিন পাছত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে পদত্যাগ কৰাৰ কথা ঘোষণা কৰিছিল। শ্ৰী কেজৰিৱালে আজি বিয়লি দিল্লীৰ উপ-ৰাজ্যপাল ভি কে ছাক্সেনাক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰাৰ কথা আছে।

000000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে নৰেন্দ্ৰ মোদী চৰকাৰে দেশৰ সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰি তুলিছে আৰু এখন নিৰাপদ ভাৰত গঢ়ি তোলাত সহায় কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেল সম্বোধন কৰি গৃহমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰে বিগত ১০ বছৰত দেশক প্ৰগতিৰ পথেৰে আগুৱাই লৈ যোৱাৰ উদ্দেশ্যে ভালেমান ব্যৱস্থা গ্ৰহণ কৰিছে। তেওঁ কয় যে নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথম ১০০ দিনৰ ভিতৰত ১৫ লাখ কোটি টকা ব্যয়সাপেক্ষ ভালেমান প্ৰকল্পত অনুমোদন দিয়া হৈছে আৰু একাংশ প্ৰকল্পৰ কাম ইতিমধ্যে আৰম্ভ হৈছে। আন্তঃগাঁথনিৰ ক্ষেত্ৰত বৰ্তমান চৰকাৰৰ কাৰ্যকালৰ প্ৰথম ১০০ দিনৰ ভিতৰত ৩ লাখ কোটি টকা মূল্যৰ বিভিন্ন প্ৰকল্পৰ কথা ঘোষণা কৰা হৈছে আৰু এনে প্ৰকল্প ৰূপায়ণৰ কাম আৰম্ভও হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

শ্ৰী শ্বাহে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰৱৰ্তন কৰা হৈছে আৰু এই শিক্ষানীতিত দেশৰ প্ৰাচীন শিক্ষা ব্যৱস্থা আৰু আধুনিক শিক্ষাৰ সমাহাৰ ঘটিছে আৰু আঞ্চলিক ভাষাসমূহকো সন্মান প্ৰদান কৰা হৈছে। তেওঁ কয় যে মেক ইন্ ইণ্ডিয়া উদ্যমৰ বাবে ভাৰত বিশ্বৰ ভিতৰত উৎপাদনৰ আকৰ্ষণীয় কেন্দ্ৰৰূপে পৰিগণিত হৈছে। বিভিন্ন দেশে ডিজিটেল ইণ্ডিয়া আঁচনিৰ সম্যক অৱধাৰণা লাভ আৰু ৰূপায়ণ কৰিব বিচাৰে বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে দেশক প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীল কৰি তুলিবলৈ চৰকাৰ বদ্ধপৰিকৰ। নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ ১০০ দিনৰ কাম-কাজৰ ভূয়সী প্ৰশংসা কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে প্ৰতিৰক্ষা মন্ত্ৰালয় বিগত ৩ মাহত ১ লাখ ৫০ হাজাৰ কোটি টকাৰো অধিক মূল্যৰ প্ৰতিৰক্ষা সামগ্ৰী ক্ৰয় প্ৰস্তাৱত অনুমোদন জনাইছে। তেওঁ কয় যে চৰকাৰে ইতিবাচক থলুৱাকৰণৰ তালিকাত ৫০১ বিধৰো অধিক সামগ্ৰী অন্তৰ্ভুক্ত কৰিছে। সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ বাবে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোকপাত কৰি শ্ৰী সিঙে কয় যে চৰকাৰে ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক এখন উন্নত ৰাষ্ট্ৰৰূপে গঢ় দিয়াৰ লক্ষ্যৰ দিশে অগ্ৰসৰ হৈছে। বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে চৰকাৰক কৰা সমালোচনা সম্পৰ্কে সোধা এটা প্ৰশ্নৰ উত্তৰত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে কংগ্ৰেছ নেতাগৰাকীৰ কোনো বিশ্বাসযোগ্যতা নাই। তেওঁ লগতে শ্ৰী গান্ধীয়ে বিদেশলৈ গৈ দেশৰ ভাৱমূৰ্তি ম্লান কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ উত্থাপন কৰে।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৪ সংখ্যক জন্মদিন উপলক্ষে নেতাগৰাকীলৈ শুভেচ্ছা জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে কৈছে প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ব্যক্তিত্ব আৰু কৰ্মৰাজিৰে দেশৰ সমৃদ্ধি আৰু মৰ্যাদা বৃদ্ধি কৰিছে। 'ৰাষ্ট্ৰ প্ৰথম' ভাৱনাৰে চলোৱা প্ৰধানমন্ত্ৰীৰ অভূতপূৰ্ব প্ৰয়াসে ভাৰতক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰি তুলিব বুলি ৰাষ্ট্ৰপতিয়ে আশা প্ৰকাশ কৰিছে। শ্ৰীমতী মুৰ্মুৱে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দীৰ্ঘায়ু, সু-স্বাস্থ্য আৰু সুখী জীৱন কামনা কৰিছে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত কয় যে শ্ৰী মোদীয়ে দুই দশকৰো অধিক সময় নিজৰ শাসনৰ জৰিয়তে আৰু একেৰাহে তৃতীয় ঐতিহাসিক কাৰ্যকালত এক দশকৰো অধিক সময় প্ৰধানমন্ত্ৰী হিচাপে দেশৰ আত্মা জগাই তুলিছে, সাংস্কৃতিক প্ৰমূল্যৰাজিত উদগনি যোগাইছে, সভ্যতাগত নৈতিকতাৰ প্ৰসাৰত সহায় কৰিছে আৰু দেশক ২০৪৭ চনৰ ভিতৰত উন্নত ভাৰত গঢ়ি তোলাৰ অভূতপূৰ্ব যাত্ৰাত দৃঢ়তাৰে আগুৱাই লৈ গৈছে। শ্ৰী ধনখড়ে লগতে প্ৰধানমন্ত্ৰীৰ সু-স্বাস্থ্য কামনা কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অক্লান্ত কঠোৰ পৰিশ্ৰম, ধৈৰ্য্য আৰু দূৰদৃষ্টিৰে জনসাধাৰণৰ জীৱনলৈ ইতিবাচক পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে শ্ৰী মোদীয়ে দেশৰ গৌৰৱ-গৰিমা বৃদ্ধি কৰিছে আৰু বিশ্বত নতুন মৰ্যাদা প্ৰদান কৰিছে। শ্ৰী শ্বাহে প্ৰধানমন্ত্ৰীৰৰ সু-স্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰে।

০০০০০০০০

আজি কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি পুৱাৰে পৰা এই পূজাৰ বাবে ব্যাপক আয়োজন কৰা পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠা, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাৱেও বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে পূজাথলীসমূহ আটক ধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাগাৰা নাম, নাম প্ৰসংগ আদিৰ আয়োজন কৰা হৈছে। ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে গুৱাহাটী মহানগৰীৰ বজাৰসমূহতো পূজাৰ বাবে প্ৰয়োজনীয় বিভিন্ন সা-সামগ্ৰীৰ পয়োভৰ দেখা গৈছে। মহানগৰীৰ কামাখ্যা গেʼটত থকা বিশ্বকৰ্মা মন্দিৰতো পূজাৰ আয়োজন কৰা হৈছে।

আজি আকাশবাণী গুৱাহাটী চৌহদতো বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিশ্বকৰ্মা পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে নিৰ্মাণ আৰু সৃজনাত্মক কাম-কাজৰ সৈতে জড়িত সকলো দক্ষ আৰু কঠোৰ পৰিশ্ৰমী লোকলৈ শ্ৰদ্ধা নিবেদন কৰিছে। প্ৰধানমন্ত্ৰীয়ে উন্নত আৰু আত্মনিৰ্ভৰ ভাৰতৰ সংকল্প পূৰণত তেওঁলোকে অভূতপূৰ্ব অৱদান আগবঢ়াব বুলি আস্থা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত দিয়া এটা শুভেচ্ছাবাৰ্তাযোগে ভগৱান বিশ্বকৰ্মাৰ আশীষে অনাগত দিনত সমগ্ৰ ৰাষ্ট্ৰৰ বাবে সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০০০

সমগ্ৰ দেশতে আজি স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ হৈছে। এইবাৰৰ এই অভিযানৰ বিষয়বস্তু হৈছে **স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা**। এই অভিযান অহা ২ অক্টোবৰলৈকে চলিব। দেশৰ পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে এই অভিযান চলোৱা হ'ব। উল্লেখযোগ্য যে ২০১৪ চনত আৰম্ভ হোৱা স্বচ্ছ ভাৰত অভিযানে এটা দশক পূৰ্ণ কৰিলে।

ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰ্যালয়ে দেশজুৰি জনসাধাৰণৰ বাবে স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজন কৰিছে। সমাজৰ ভিন্ন দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে- স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী, স্বচ্ছতাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিকসকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন গোটে অংশগ্ৰহণ কৰিব। আনহাতে আজি পুৱাই গুৱাহাটী পৌৰ নিগমৰ উদ্যোগত মহানগৰীৰ গীতা মন্দিৰ চৌহদত **স্বচ্ছ আৰু সেউজ গুৱাহাটী** গঢ়ি তোলাৰ উদ্দেশ্যে আয়োজন কৰা অনুষ্ঠানত ৰাজ্যৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰে।

আকাশবাণী গুৱাহাটীয়েও আজিৰে পৰা স্বচ্ছতা সেৱা অভিযানৰ অধীনত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰিছে।

ইপিনে, এই উপলক্ষে কালি বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে স্বচ্ছতা কাৰ্যসূচী গ্ৰহণ কৰা হয়। উত্তৰ পূৱ সীমান্ত ৰেলৱে কালি শপত গ্ৰহণ কাৰ্যসূচীৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। উত্তৰ পূৱ সীমান্ত ৰেলৱে মহাপ্ৰৱন্ধকৰ পৰিচালনাত বিভাগৰ জ্যেষ্ঠ বিষয়া, কৰ্মচাৰী, বিভিন্ন সংস্থা আৰু একতা সভাৰ প্ৰতিনিধিৰ উপস্থিতিত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। উত্তৰ পূৱ সীমান্ত ৰেলৱেৰ সকলো মণ্ডলতে অনুষ্ঠিত এই কাৰ্যসূচীৰ জৰিয়তে ৰেল বিভাগৰ কৰ্মচাৰী আৰু যাত্ৰীসকলৰ মাজত অনাময়ৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে হাতত লোৱা হৈছে। এই অভিযানত চাফাই মিত্ৰ, অনাময় কৰ্মী আৰু আন আন অংশীদাৰসকলক স্বীকৃতি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে।

oooooo

ভাৰতীয় পুৰুষ দলে বুডাপেষ্টত অনুষ্ঠিত ৪৫ সংখ্যক দবা অলিম্পিয়াডৰ মুকলি শাখাত হাংগেৰীৰ বিৰুদ্ধে ৩-১ ফলাফলত জয়লাভ কৰে। মহিলা দলে ষষ্ঠ ৰাউণ্ডত আৰ্মেনিয়াৰ বিৰুদ্ধে ২ দশমিক ৫ - ১ দশমিক ৫ ফলাফলত বিজয় সাব্যস্ত কৰে। ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে দবা অলিম্পিয়াডত একেৰাহে ষষ্ঠটো বিজয় সাব্যস্ত কৰিছে। ইয়াৰ সুবাদত দুয়োটা দল পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হৈছে।

ooooooooo

সমাপ্ত